অধ্যায় ২ ঃ ভাৰতীয় মুদ্রা বজাৰ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ মুদ্রা বজাৰৰ অর্থ
২.৪ ভাৰতীয় মুদ্রা বজাৰৰ গাঁথনি
২.৫ মুদ্রা বজাৰৰ আহিলাসমূহ
২.৬ ভাৰতীয় মুদ্রা বজাৰৰ আসোঁৱাহসমূহ
২.৭ ভাৰতীয় মুদ্রা বজাৰ উন্নতকৰণৰ ব্যৱস্থাসমূহ
২.৮ বিল বজাৰ
২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১০ অধিক জানিবলৈ
২.১১ অগ্রগতিৰ খতিয়ান
২.১২ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় মুদ্রা বজাৰৰ গাঁথনি সম্পর্কে আলোচনা কৰিব পাৰিব
- ভাৰতীয় মুদ্রা বজাৰৰ আহিলাসমূহৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ভাৰতীয় মুদ্রা বজাৰৰ আসোঁৱাহসমূহ ব্যাখ্যা কৰিব পাৰিব
- বিল বজাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব

২.২ পৰিচয় (INTRODUCTION)

মুদ্রা বজাৰ হ'ল ভাৰতীয় অর্থব্যৱস্থাৰ এটা গুৰুত্বপূর্ণ অংগ। সাধাৰণতে, মুদ্রা বজাৰ হ'ল য'ত হ্রস্বকালীন মুদ্রাগত পৰিসম্পদসমূহৰ লেন-দেন হয়। এই বজাৰৰ বৈশিষ্ট্য হ'ল হ্রস্বকালীন ঋণৰ ব্যৱস্থা কৰা। অর্থাৎ এই বজাৰৰ পৰা চলিত মূলধন সংগ্রহৰ উদ্দেশ্যে মুদ্রাৰ যোগান দিয়া হয়। মুদ্রা বজাৰৰ আন এক গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল ইয়াৰ তাৰল্য প্রকৃতি (liquid nature)। মুদ্রা বজাৰত ঋণ লেনদেনৰ পৰিসীমা হ'ল এৰাতিৰ পৰা এবছৰৰ ভিতৰত। এই বজাৰৰ লেনদেনৰ ব্যয় আটাইতকৈ কম। যোৱা দশকৰ পৰা মুদ্রা বজাৰত গুৰুত্বপূর্ণ পৰিবর্তন সংঘটিত হৈ আহিছে। এই অধ্যায়টিত মুদ্রা বজাৰৰ গঠন সম্পর্কে আলোচনা কৰা হ'ব। ইয়াৰোপৰি মুদ্রা বজাৰৰ বিভিন্ন প্রকাৰৰ আহিলাসমূহ আৰু ভাৰতীয় মুদ্রা বজাৰৰ আসোঁৱাহসমূহৰ বিষয়েও এই অধ্যায়টিত আলোচনা কৰা হ'ব। আনহাতে বিল বজাৰৰ ওপৰতো এই অধ্যায়টিত আলোকপাত কৰা হ'ব।

২.৩ মুদ্রা বজাৰৰ অর্থ (MEANING OF MONEY MARKET)

মুদ্রা বজাৰ হ'ল এনে এখন বজাৰ য'ত হ্রস্বকালীন পুঁজিৰ ব্যৱসায় কৰা হয়। দ্রব্যৰ বজাৰত দ্রব্য বেচা-কিনা হোৱাৰ দৰে মুদ্রাৰ বজাৰতো মুদ্রা বেচা-কিনা হয়। এই বজাৰত আনুষ্ঠানিকভাৱে ঋণ দিয়া বা ঋণ লোৱা হয়।

মুদ্রা বজাৰৰ অংশগ্রহণকাৰীসকল ঃ

তলত উল্লেখ কৰা অনুষ্ঠানসমূহে মুদ্রা বজাৰৰ লেনদেনত অংশগ্রহণ কৰে—

(ক) ভাৰতীয় ৰিজার্ভ বেংক
(খ) বাণিজ্যিক বেংক
(গ) কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰ
(ঘ) ৰাজহুৱা খণ্ডৰ উদ্যোগ (Public Sector Undertaking)
(ঙ) ব্যক্তিগত খণ্ডৰ কোম্পানী (Private Sector Companies)
(চ) অনা-বেংকীয় বিত্তীয় অনুষ্ঠান (Non-banking financial institutions)
(ছ) উমৈহতীয়া পুঁজি (Mutual funds)
(জ) বীমা কোম্পানী (Insurance companies)
(ঝ) মুখ্য ডিলাৰসমূহ (Primary dealers)


মুদ্রা বজাৰৰ মুখ্য কার্যসমূহ এনেধৰণৰ ঃ

(১) বাণিজ্যিক বেংকসমূহ, অনা-বেংকীয় বিত্তীয় অনুষ্ঠানসমূহ, ব্যৱসায়িক প্রতিষ্ঠান আৰু অন্যান্য বিনিয়োগকাৰীসকলে এই বজাৰত হ্রস্বম্যাদী ঋণ হিচাপে মুদ্রা বিনিয়োগ কৰাৰ সুবিধা পায়।
(২) হ্রস্বকালীন উদ্বৃত্ত আৰু ঘাটিসমূহৰ মাত সমন্বয় স্থাপন কৰে।
(৩) হ্রস্বকালীন ঋণৰ উপযুক্ত দৰ নির্দ্ধাৰণ কৰে।
(৪) দেশৰ মুদ্রা যোগান নিয়ন্ত্রণ কৰিবলৈ আৰু সুসংগঠিত কৰিবলৈ কেন্দ্রীয় বেংকক মুদ্রা বজাৰে সহায় কৰে। মুদ্রা বজাৰ সুসংগঠিত হ'লে কেন্দ্রীয় বেংকৰ ঋণ নিয়ন্ত্রণ পদ্ধতি সফল হয়।


২.৪ ভাৰতীয় মুদ্রা বজাৰৰ গাঁথনি (STRUCTURE OF INDIAN MONEY MARKET)

মুদ্রা বজাৰৰ প্রধান বৈশিষ্ট্য হ'ল হ্রস্বম্যাদী ঋণৰ ব্যৱস্থা কৰা। এই বজাৰত একেবাৰে ছুটি সময়কাল এৰাতিৰ পৰা এবছৰৰ বাবে ঋণ দিয়াৰ ব্যৱস্থা কৰা হয়। দ্রব্যৰ বজাৰত দ্রব্য বেচা-কিনা হোৱাৰ দৰে মুদ্রা বজাৰতো মুদ্রা বেচা-কিনা হয়। ভাৰতীয় মুদ্রা বজাৰ দুটা অংশত বিভক্ত। এখন সংগঠিত মুদ্রা বজাৰ আৰু আনখন অসংগঠিত মুদ্রা বজাৰ। সংগঠিত বজাৰখনৰ অন্তর্ভুক্ত প্রতিষ্ঠানসমূহ হ'ল— ভাৰতীয় ৰিজার্ভ বেংক (Reserve Bank of India), ভাৰতীয় ষ্টেট বেংক (State Bank of India), ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বেংক, আঞ্চলিক গ্রাম্য

বেংক (Regional Rural Bank), বাণিজ্যিক বেংকসমূহ লগতে বৈদেশিক বেংকসমূহ, তালিকাভুক্ত নোহোৱা বাণিজ্যিক বেংক আৰু অন্যান্য অনা-বেংকিং বিত্তীয় প্রতিষ্ঠানসমূহ যেনে— LIC, GIC আৰু UTI, ইত্যাদি। আনহাতে অসংগঠিত বজাৰৰ অন্তর্গত প্রতিষ্ঠানসমূহ হ'ল থলুৱা বেংকাৰ (indigeneous bankers), মহাজনসকল আৰু অন্যান্য অ-বেংকিং বিত্তীয় প্রতিষ্ঠানসমূহ।



ভাৰতীয় মুদ্রা বজাৰক আকৌ বিভিন্ন প্রকাৰৰ উপ-বজাৰত ভাগ কৰিব পাৰি। এই শ্রেণীবিভাজন মুদ্রা লেনদেন কৰা প্রকৃতি আৰু পৰিসৰৰ ওপৰত নির্ভৰ কৰি কৰা হয়। ইয়াৰ উপৰিও মুদ্রা বজাৰৰ বিভিন্ন আহিলাসমূহৰ বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰিও মুদ্রা বজাৰক বিভিন্ন উপ-বজাৰত বিভক্ত কৰা হয়।





অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ ভাৰতীয় মুদ্রা বজাৰৰ অসংগঠিত খণ্ডৰ দুটা অনুষ্ঠানৰ নাম উল্লেখ কৰক।

(১) .....

(২) .....

২.৫ মুদ্রা বজাৰৰ আহিলাসমূহ (MONEY MARKET INSTRUMENTS)

মুদ্রা বজাৰ প্রধানকৈ চৰকাৰী ঋণপত্র, ব্যক্তিগত আৰু বেংকিং অনুষ্ঠানসমূহে আগবঢ়োৱা ঋণপত্রসমূহৰ দ্বাৰা গঠিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'ল—

(১) চৰকাৰী প্রতিভূতি (Government Securities)

(২) আহুত কিস্তি মুদ্রা আৰু চুটি নির্দেশ (Money at call and Short Notice)

(৩) বেংকসমূহৰ মাজত অংশগ্রহণ (Inter-Bank Participation)

(৪) কোষাগাৰ দেয়ক (Treasury Bills)

(৫) আমানতৰ প্রমাণপত্র (Certificates of Deposits)

(৬) বাণিজ্যিক বিল (Commercial Bills)

(৭) বাণিজ্যিক পত্র (Commercial Papers)

(৮) ৰেপো (Repo)

(১) চৰকাৰী প্রতিভূতি (Government Securities) ঃ চৰকাৰৰ হৈ ভাৰতীয় ৰিজার্ভ বেংকে প্রতিভূতি প্রকাশ কৰে। চৰকাৰী প্রতিভূতি কেন্দ্রীয় চৰকাৰৰ প্রতিভূতি, ৰাজ্য চৰকাৰৰ প্রতিভূতি আৰু কোষাগাৰ দেয়ক অন্তর্ভুক্ত হৈ আছে। বিভিন্ন প্রকাৰৰ চৰকাৰী প্রতিভূতিসমূহ হ'ল ঃ

দিনাংক ঋণপত্র	**শূন্য কুপনৰ চুক্তিপত্র**	**আংশিকভাৱে পৰিশোধকৃত সম্ভাৰ**	**শিথিল হাৰৰ চুক্তি**	**ইচ্ছাধীন চুক্তিপত্র বা আহুত চুক্তিপত্র**	**মূলধন সূচাংকিত চুক্তিপত্র**
লিখিত মূল্যত বিলি কৰা হয়	বাট্টাত বিলি কৰা হয়।	লিখিত মূল্যত বিলি কৰা হয়, কিন্তু এক নির্দিষ্ট সময়ৰ ভিতৰত কিস্তিত পৰিশোধ কৰা হয়।	লিখিত মূল্যত বিলি কৰা হয়।	একধৰণৰ চুক্তিপত্র যাক আহুত হিচাপে বিলি হয়।	লিখিত মূল্যত বিলি কৰাা হয়।

বিলিৰ সময়ত সুদৰ হাৰ বা কুপনৰ হাৰ নির্দ্ধাৰিত কৰা হয় আৰু ঋণপত্ৰৰ ম্যাদ শেষ হোৱালৈকে ই স্থিৰে থাকে।	কোনো সুদৰ হাৰ আৰোপ কৰা নহয়।	বিলিৰ সময়ত সুদৰ হাৰ বা কুপনৰ হাৰ নির্দ্ধাৰিত কৰা হয় আৰু ঋণপত্ৰৰ ম্যাদ শেষ হোৱালৈকে ই স্থিৰে থাকে।	বেঞ্চমার্ক হাৰতকে অধিকতৰ মূল্যত এক নির্দিষ্ট শতাংশত সুদৰ হাৰ নির্দ্ধাৰিত কৰা হয়।	এই চুক্তিপত্ৰ ১৯১২ চনত খালাচ কৰিব লাগিব আৰু ৬.৭২% ৰ কুপন ধার্য কৰা হৈছে।	সুদৰ হাৰ পাইকাৰী দৰ সূচক হিচাপে ছপাৰ সময়ত নির্দ্ধাৰণ কৰা হৈছে।
প্ৰতিভুতিৰ ম্যাদ নির্দ্ধাৰিত কৰা থাকে।	প্ৰতিভুতিৰ ম্যাদ নির্দ্ধাৰিত কৰা থাকে।	প্ৰতিভুতিৰ ম্যাদ নির্দ্ধাৰিত কৰা থাকে।	প্ৰতিভুতিৰ ম্যাদ নির্দ্ধাৰিত কৰা থাকে।	৫ বছৰৰ চুক্তিত এই চুক্তিপত্ৰৰ দৰ নির্দ্ধাৰণ কৰা হয়।	প্ৰতিভুতিৰ ম্যাদ নির্দ্ধাৰিত কৰা থাকে।
এই প্ৰতিভুতি ইয়াৰ পূৰ্ণতা প্ৰাপ্তিৰ তাৰিখত লিখিত মূল্যত খালাচ কৰা হয়।	এই প্ৰতিভুতি ইয়াৰ পূৰ্ণতা প্ৰাপ্তিৰ তাৰিখত লিখিত মূল্যত খালাচ কৰা হয়।	এই প্ৰতিভুতি ইয়াৰ পূৰ্ণতা প্ৰাপ্তিৰ তাৰিখত ইয়াৰ লিখিত মূল্যত খালাচ কৰা হয়।	এই প্ৰতিভুতি ইয়াৰ পূৰ্ণতা প্ৰাপ্তিৰ তাৰিখত ইয়াৰ লিখিত মূল্যত খালাচ কৰা হয়।	এই চুক্তিপত্ৰৰ দৰ পাঁচ বছৰৰ চুক্তিত নির্দ্ধাৰণ কৰা হয়।	ইয়াৰ খালাচৰ সম্পর্ক মুখ্যতঃ পাইকাৰী দৰ সূচকৰ লগত সম্পর্কিত

চৰকাৰী দিনাংকৰ চুক্তিপত্ৰসমূহ ক্ৰয় কৰাৰ ন্যূনতম হাৰ হ'ল ১০,০০০ টকা আৰু কোষাগাৰ দেয়কৰ ২৫,০০০ টকা আৰু ইয়াৰ দুগুণসমূহ। আনহাতে ৰাজ্যিক চৰকাৰৰ ঋণপত্ৰসমূহ ক্ৰয়ৰ ন্যূনতম নিৰিখ হ'ল ১,০০০ টকা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ তিনিপ্ৰকাৰৰ চৰকাৰী প্ৰতিভুতিৰ নাম উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

(২) **আহুত কিস্তি মুদ্রা আৰু চুটি নির্দেশ (Money at call and Short Notice) ঃ** যি ঋণ বিচৰা মাত্ৰেই ঘূৰাই দিয়াৰ চর্ত্তসাপেক্ষে দিয়া হয় সেয়াই হ'ল আহুত কিস্তি মুদ্রা বা আহুত কিস্তি জমা। আনহাতে নির্দেশিত মুদ্রা (Notice money) হ'ল যি মুদ্রা ঋণদাতাজনৰ পৰা নির্দিষ্ট কেইটামান দিনৰ ভিতৰতে ঘূৰাই দিয়াৰ নির্দেশ পালে পৰিশোধ

কৰা হয় বা ধাৰলৈ দিয়া হয়। এইখন বজাৰ হ'ল টেলিফোন ভিত্তিক বজাৰ। বিভিন্ন কাৰণত যেনে নগদ সংৰক্ষণৰ হাৰ ঠিকমতে ৰাখিবলৈ বা অধিক পৰিমাণৰ বিত্ত পৰিশোধ কৰিবলৈ বেংকে ঋণ গ্ৰহণ কৰে। চুটি নিৰ্দেশৰ মুদ্ৰাৰ পূৰ্ণতাপ্ৰাপ্তিৰ সময় মাত্ৰ ১৪ দিন। এই বজাৰৰ মুখ্য অংশগ্ৰহণকাৰীসকল হ'ল ৰিজাৰ্ভ বেংকে অনুমতি প্ৰদান কৰা সৰ্বভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানসমূহ।

আহুত কিস্তি মুদ্রা বজাৰত অংশগ্ৰহণকাৰী উদ্যোগসমূহক প্ৰত্যেকবাৰ লেনদেনত ন্যূনতম ২০ কোটি পৰিমাণৰ টকা লেনদেন কৰিবলৈ অনুমতি প্ৰদান কৰা হয়। ভাৰতীয় বাট্টা আৰু বিত্ত গৃহই (Discount and Finance House of India (DFHI) আহুত কিস্তি মুদ্রা বজাৰ (Call Money Market) আৰু হ্ৰস্বকালীন আমানত বজাৰৰ (Short-term Deposit Market) কাৰ্যকলাপ পৰিচালনা কৰে। ই পুঁজি বেচা কিনাৰ অনুমতি প্ৰদান কৰে। সাধাৰণতে এই বজাৰৰ ঋণ গ্ৰহণকাৰীসকল হ'ল বেংকসমূহ। ই ভাৰতীয় বেংক সংঘই নিৰ্দ্ধাৰণ কৰা চিলিং (Ceiling) হাৰৰ বাহিৰতো ইয়াৰ কাৰ্যকলাপ চলাব পাৰে। এইখন মুদ্রা বজাৰত অংশগ্ৰহণকাৰী বিভিন্ন ঋণদানকাৰী সংস্থাসমূহ হ'ল GIC, IDBI, NABARD ইত্যাদি। ইয়াৰোপৰি ব্যক্তিগত উমৈহতীয়া নিধিসমূহেও (Private Mutual Funds) ইয়াত অংশগ্ৰহণ কৰে। সাধাৰণতে DFHI এ প্ৰয়োজন অনুসাৰে ঋণদাতা আৰু ঋণ গ্ৰহণকাৰীসকলৰ মাজত বিভিন্ন ধৰণৰ লেনদেনবিলাকৰ নিষ্পত্তি কৰে। তাৰোপৰি প্ৰয়োগ কৰিবলগীয়া সুদৰ হাৰ সম্পৰ্কেও ই পৰামৰ্শ আগবঢ়ায়।

এই খন বজাৰৰ আহুত হাৰ বেছি স্থিতিস্থাপক (more volatile) কাৰণ ইয়াক পুঁজিৰ চাহিদা আৰু যোগানৰ পৰস্পৰৰ কাৰ্যকলাপৰ ওপৰত ভিত্তি কৰিহে নিৰ্দ্ধাৰণ কৰা হয়।

(৩) **আন্তঃ বেংকীয় অংশগ্ৰহণৰ প্ৰমাণ পত্ৰ (Inter-Bank Participation Certificate) ঃ** আন্তঃ বেংকীয় অংশগ্ৰহণৰ প্ৰমাণপত্ৰ হ'ল একধৰণৰ আহিলা যাক তালিকাভুক্ত বাণিজ্যিক বেংকসমূহে পুঁজি বৃদ্ধি কৰিবলৈ বা হ্ৰস্বকালীন ৰাহি বৃদ্ধি কৰিবলৈ বিলি কৰে। এই ব্যৱস্থাটো RBIৰ নিৰ্দেশাৱলী অনুসৰি দুটা কাৰণত ছপা কৰা হয়।

(ক) ক্ষতি ভগাই লোৱাৰ ভিত্তিত

(খ) ক্ষতি ভগাই নোলোৱাকৈ

ক্ষতি ভগাই নোলোৱাকৈ হোৱা আন্তঃ বেংকীয় অংশগ্ৰহণৰ ম্যাদ মাত্ৰ ৯০ দিনীয়া হ'ব পাৰে। ইয়াত ছপা কৰা বেংকটো হ'ল ঋণ গ্ৰহণকাৰী আৰু অংশগ্ৰহণকাৰী বেংকসমূহে এই বেংকটোক আগধন দিয়ে। আনহাতে ক্ষতি ভগাই লোৱাৰ ক্ষেত্ৰত, ঋণদানকাৰী বেংকসমূহে ঋণী বেংকটোৰ সৈতে উমৈহতীয়াভাৱে নিৰ্দ্ধাৰণ কৰা সুদৰ হাৰৰ দ্বাৰা ক্ষতি ভগাই লয়। এই ক্ষেত্ৰত সময়সীমা হ'ল ৯০দিনৰ পৰা ১৮০ দিন।

(৪) **কোষাগাৰ দেয়ক (Treasury Bills) ঃ** কোষাগাৰ দেয়কসমূহ হ'ল বাট্টাকৃত ঋণপত্ৰ যাক ভাৰত চৰকাৰৰ হ্ৰস্বকালীন প্ৰয়োজন অনুসৰি লিখিত মূল্যত (face value) বাট্টা দি ধাৰ্য কৰা হয়। RBI এ এক নিৰ্দিষ্ট পৰিমাণৰ কোষাগাৰ দেয়ক পূৰ্ব নিৰ্দ্ধাৰিত তাৰিখত

ধায্য কৰে। এই কোষাগাৰ দেয়কসমূহ চাৰি প্ৰকাৰৰ —

(ক) ১৪ দিনৰ ম্যাদৰ ১৪ দিনীয়া কোষাগাৰ দেয়ক।

(খ) ৯১ দিনৰ ম্যাদৰ ৯১ দিনীয়া কোষাগাৰ দেয়ক।

(গ) ১৮২ দিনৰ ম্যাদৰ ১৮২ দিনীয়া কোষাগাৰ দেয়ক।

(ঘ) ৩৬৪ দিনৰ ম্যাদৰ ৩৬৪ দিনীয়া কোষাগাৰ দেয়ক।

এই বিলসমূহ হ'ল উচ্চ তাৰল্যতাসম্পন্ন মুদ্রা বজাৰৰ আহিলা। ইয়াত ক্ষতিৰ সম্ভাৱনা শূন্য। ই কম সময়ৰ ভিতৰত প্ৰকৃত পুঁজি বিস্তৃত হোৱাত সহায় কৰে।

(৫) **আমানতৰ প্ৰমাণপত্ৰ (Certificates of Deposits) ঃ** আমানতৰ প্ৰমাণপত্ৰ ভাৰতীয় ৰিজাভ বেংকৰ নিৰ্দেশাৱলী অনুসৰি অভৌতিক ৰূপত (Dematerialized form) বা ইউচেঞ্চ প্ৰতিশ্ৰুতি পত্ৰ (Usance Promissory Note) হিচাপে বেংকত বা অন্য বিত্তীয় প্ৰতিষ্ঠানত ধন জমা কৰাৰ বাবে প্ৰকাশ কৰা হয়। ই হ'ল মুদ্রা বজৰৰ এবিধ হস্তান্তৰযোগ্য আহিলা যাৰ ন্যূনতম জমাৰ পৰিমাণ হ'ল এক লাখ আৰু এক লাখ টকাৰ গুণিতক। আমানতৰ প্ৰমাণপত্ৰৰ ম্যাদ ১৫ দিনতকৈ কম হ'ব নোৱাৰে আৰু এবছৰতকৈ বেছি হ'ব নোৱাৰে। আনহাতে কোনো বিত্তীয় প্ৰতিষ্ঠানৰ বাবে ইয়াৰ ম্যাদ এবছৰতকৈ কম আৰু ৩ বছৰতকৈ বেছি হ'ব নোৱাৰে।

(৬) **বাণিজ্যিক বিল (Commercial Bills) ঃ** এই বিলসমূহক ক্ৰেতাই ঋণ হিচাপে সামগ্ৰী আৰু সেৱাকাৰ্যৰ বিপৰীতে স্বীকৃতি দিয়ে। এই বিলসমূহক ঋণৰ ভিত্তিত ক্ৰেতাই গ্ৰহণ কৰে আৰু ইয়াক পৰিশোধ কৰিবলগীয়া তাৰিখলৈকে ৰাখিব পাৰে আৰু বিক্ৰেতাই ইয়াৰ ম্যাদ বৃদ্ধি কৰিব পাৰে। নাইবা ইয়াক কোনো তৃতীয় পক্ষলৈ (third party) বিক্ৰেতাই অনুমোদন কৰিব পাৰে। এই বিলসমূহ বিনিময় বিল (bill of exchange) হোৱা হেতুকে ইয়াক বেংক বা অন্য বিত্তীয় প্ৰতিষ্ঠানত বাট্টাকৰণ (discounted) কৰিব পাৰি। এই বিলসমূহ বেংকত আকৌ পুনৰ বাট্টাকৰণ (rediscount) হ'ব পাৰে।

(৭) **বাণিজ্যিক পত্ৰ (Commercial Papers(CP) ঃ** বাণিজ্যিক পত্ৰসমূহো বিনিয়োগকাৰীসকলৰ বাবে এক ধৰণৰ অসুৰক্ষিত (Unsecured) মুদ্রা বজাৰৰ আহিলা। ই হ'ল হ্ৰস্বকালীন ঋণৰ উৎস। এই আহিলাটিক একধৰণৰ প্ৰতিশ্ৰুতি পত্ৰৰ ৰূপত ছপা কৰা হয়। প্ৰত্যেকজন প্ৰকাশকে (issuer) CP বিলি কৰিবলৈ এজন ছপা আৰু পৰিশোধ কৰা এজেণ্ট (IPA) নিযুক্তি দিব লাগে। আনহাতে তালিকাভুক্ত বেংকৰ অন্তৰ্ভুক্ত এটা বেংকেহে CP ছপা কৰিবলৈ IPA হিচাপে কাম কৰিব পাৰে। ইয়াত বিনিয়োগকাৰীসকলক এখন IPAৰ প্ৰমাণপত্ৰ দিয়া হয়। ঠিক সেইদৰে আমানতৰ সৈতে বিনিয়োগকাৰীৰ একাউণ্টত বাণিজ্যিক পত্ৰ ঋণ হিচাপে আগবঢ়োৱাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। CP সাধাৰণতে ন্যূনতম ৭ দিনৰ পৰা সৰ্বোচ্চ এবছৰলৈ ধাৰ্য্য কৰা হয় আৰু ধাৰ্য্য কৰাৰ তাৰিখপৰা ন্যূনতম ৫ লাখ টকালৈ ছপা কৰিব পাৰে। CPৰ প্ৰচলন কৰাৰ মূল উদ্দেশ্য হ'ল —

(ক) পট্টাকৰণ আৰু কোম্পানীৰ বিত্ত, উৎপাদন আৰু বিত্তীয় অনুষ্ঠান ইত্যাদিক উচ্চ

হাৰৰ ঋণৰ সুবিধা প্রদানৰ উদ্দেশ্যে CPৰ প্রচলন কৰা হয়।

(খ) হ্রস্বকালীন ঋণৰ উৎসসমূহ বিভিন্ন প্রকাৰৰ কৰিবলৈ।

(গ) বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানৰ বাবে ই হ'ল মুদ্রা বজাৰৰ এবিধ আহিলা।

(৮) **গিল্ট-এড্জ (চৰকাৰী) প্রতিভুতি {Gift-edged (Government) Securities}** ঃ এই ঋণপত্র ক্রয় বিক্রয়ৰ দ্বাৰা বেংকে ইয়াৰ শুদ্ধ চাহিদা আৰু সময় তাৰল্যতাৰ (Net Demand and Time Liquidities) (NDTL) অৱস্থা স্থিৰে ৰাখিব পাৰে। সেইবাবে বেংকসমূহৰ এই ঋণপত্রৰ প্রতি বৃহৎ চাহিদা আছে। এই ঋণপত্রসমূহ কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰসমূহে, আংশিকভাৱে চৰকাৰী অথৰিটী, মিউনিচিপেলিটি ইত্যাদিয়ে ধার্য কৰে। এইবিলাক হ'ল দীর্ঘকালীন ঋণপত্র আৰু ইয়াক ভাৰতীয় ৰিজার্ভ বেংকে যোগান ধৰে। ইয়াক ক্রয়ৰ বাবে খোলাৰ মাত্র কেইদিনমান আগতে জাননী দিয়া হয় আৰু এই সুবিধা দুদিন বা তিনিদিনৰ বাবে আগবঢ়োৱা হয়। ইয়াৰ সুদৰ হাৰ একেবাৰে কম আৰু ছমাহৰ মুৰত ইয়াক পৰিশোধ কৰিব লাগে।

(৯) **ৰেপো (Repo)** ঃ এইবিধ মুদ্রা বজাৰৰ আহিলাই ঋণপত্রসমূহ বিক্রী বা ক্রয় কার্যৰ দ্বাৰা হ্রস্বকালীন ঋণদান আৰু ঋণগ্রহণ কার্যত সহায় কৰে। ইয়াত ঋণপত্রৰ গৰাকীসকলে একধৰণৰ চুক্তিৰ বিনিময়ত বিনিয়োগকাৰীসকলক ঋণপত্র বিক্রী কৰে। এই চুক্তিটো হ'ল ঋণপত্রৰ গৰাকীসকলে পূর্বনির্দ্ধাৰিত নিৰিখত আৰু তাৰিখত এই ঋণপত্রসমূহ পুনৰ ক্রয় কৰিব। আনহাতে, ইয়াৰ বিপৰীত ৰেপো লেনদেনত, ঋণপত্রসমূহ পূর্ব নির্ধাৰিত নিৰিখত আৰু তাৰিখত পুনৰাই বিক্রী কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ চাৰিপ্রকাৰৰ কোষাগাৰ দেয়কৰ উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

(৪) .....

২.৬ ভাৰতীয় মুদ্রা বজাৰৰ আসোঁৱাহসমূহ(DEFECTS OF INDIAN MONEY MARKET)

মুদ্রা বজাৰ হ'ল হ্রস্বকালীন পুঁজি ঋণ দিয়া আৰু ঋণ লোৱা বজাৰ। এখন সু-উন্নত মুদ্রা বজাৰে দক্ষ মুদ্রানীতিৰ প্রয়োগ হোৱাটোকে সূচায়। কিন্তু ভাৰতীয় মুদ্রা বজাৰত বিভিন্ন ধৰণৰ দুর্বলতা দেখা পোৱা যায়। সেইবোৰ তলত উল্লেখ কৰা হ'ল ঃ

(১) **সহযোগিতাৰ অভাব (Lack of integration)** ঃ ভাৰতীয় মুদ্রা বজাৰখন সংগঠিত আৰু অসংগঠিত এই দুটা খণ্ডত বিভক্ত। কিন্তু দুয়োখন বজাৰেই ইখনে আনখনৰ পৰা

সম্পূৰ্ণ পৃথক। এই দুয়োখন বজাৰেই স্বাধীনভাৱে কাৰ্য সম্পাদন কৰে আৰু প্ৰত্যেকখনে আনখনৰ ওপৰত সামান্যভাৱেহে প্ৰভাব পেলায়। আনহাতে ভাৰতীয় ৰিজাৰ্ভ বেংকে সংগঠিত মুদ্রা বজাৰৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰে। কিন্তু ই অসংগঠিত খণ্ডৰ কাৰ্যকলাপ নিয়ন্ত্ৰণ কৰিবলৈ সম্পূৰ্ণভাৱে সমৰ্থ নহয়।

(২) **সুতৰ হাৰৰ মাজত সামঞ্জস্যতাৰ অভাব (Lack of rational interest rates structure) ঃ** ভাৰতীয় মুদ্রা বজাৰত বিভিন্ন প্ৰকাৰৰ সুদৰ হাৰ পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে বাণিজ্যিক বেংকসমূহৰ জমাকৃত ধন আৰু ঋণ হিচাপে দিয়া ধনৰ ওপৰত ধাৰ্য্য কৰা সুত, চৰকাৰী ঋণৰ ওপৰত ধাৰ্য কৰা সুত বেলেগ। আগতে ইয়াৰ ফলত ঋণৰ অত্যধিক চাহিদাৰ উদ্ভৱ হৈছিল আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে নগদ সংৰক্ষণৰ অনুপাতৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল। যদিও এতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে সুতৰ হাৰৰ মাজত সামঞ্জস্য আনিবলৈ চেষ্টা কৰিছে, তথাপিও ভাৰতীয় মুদ্রা বজাৰৰ কাৰ্যকলাপ বৰ্তমানেও দক্ষ হৈ উঠা নাই।

(৩) **অসংগঠিত মুদ্রা বজাৰৰ অৱস্থিতি (Existence of Unorganised Money Market) ঃ** ভাৰতীয় মুদ্রা বজাৰত বৰ্তমানেও অসংগঠিত খণ্ডৰ আধিপত্য আছে। এই খণ্ডৰ থলুৱা বেংকাৰসমূহে হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণৰ সুতৰ হাৰৰ মাজত কোনোধৰণৰ পাৰ্থক্য নাৰাখে। তেওঁলোকৰ পৰস্পৰৰ মাজতো কোনোধৰণৰ সহযোগিতা নাই আৰু অন্যান্য বেংকিং খণ্ডৰ লগতো কোনো সম্পৰ্ক নাই। আনহাতে তেওঁলোকে কোনোধৰণৰ দক্ষ নীতি নিয়মো অনুসৰণ নকৰে। আটাইতকৈ ডাঙৰ কথাটো হ'ল এই বেংকাৰসমূহৰ ওপৰত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ কোনোধৰণৰ নিয়ন্ত্ৰণ নাই।

(৪) **এখন সুসংগঠিত বিল বজাৰৰ অভাব (Absence of an Organised Bill Market) ঃ** ভাৰতীয় মুদ্রা বজাৰত এখন সু সংগঠিত বিল বজাৰৰ অভাব পৰিলক্ষিত হয়। ইয়াৰোপৰি ভাৰতীয় মুদ্রা বজাৰত বাণিজ্যিক বিল বজাৰ বা হ্ৰস্বকালীন বাণিজ্যিক বিলৰ বাবে বাট্টাৰ অভাবো দেখা যায়। ভাৰতীয় মুদ্রা বজাৰ এতিয়াও অনুন্নত পৰ্যায়ত থকাৰ বাবে বহুতো কাৰক দায়ী। যেনে— নগদ লেনদেনৰ ওপৰত অধিক গুৰুত্ব, বাণিজ্যিক বেংকৰ নগদ ঋণ, বিক্ৰেতাসকলৰ বিলৰ সীমিত ব্যৱহাৰ, অত্যাধিক ষ্টাম্প শুল্ক আৰোপ, স্বীকৃতি গৃহৰ (Acceptance house) অভাব আদি।

(৫) **মুদ্রা বজাৰত পুঁজিৰ অভাব (Shortage of Funds in the Money Market) ঃ** বেংক সংক্ৰান্ত অভ্যাসৰ অভাব, বেংক খণ্ডত পৰ্যাপ্ত সা-সুবিধাৰ অভাব, সীমিত সঞ্চয়ৰ অভ্যাস আদিৰ ফলস্বৰূপে মুদ্রা বজাৰত পুঁজিৰ অভাবে দেখা দিয়ে। ইয়াৰ বিপৰীতে মুদ্রা বজাৰত ঋণ হিচপে দিয়া পুঁজিৰ বৰ্দ্ধিত চাহিদা ইয়াৰ যোগানতকৈ অধিক হয়।

(৬) **বেংকৰ পৰ্যাপ্ত সুবিধাৰ অভাব (Inadequate Banking Facility) ঃ** বৰ্তমান বাণিজ্যিক বেংকসমূহে ইয়াৰ সুবিধাসমূহ সকলোৱে গ্ৰহণ কৰিব পৰাকৈ বিভিন্ন শাখা খুলিছে। কিন্তু তথাপিও এই সুবিধা সকলোৱে ভোগ কৰিবলৈ সমৰ্থ হোৱা নাই। ভাৰতৰ

দৰে উন্নয়নশীল দেশত এতিয়াও বহুতো লোকে দৰিদ্রতাৰ সীমাৰেখাৰ তলত বাস কৰে আৰু তেওঁলোকৰ সঞ্চয় কৰিব পৰা সামর্থ কম। তেওঁলোকৰ সঞ্চয়ৰ পৰিমাণ একেবাৰে নগণ্য আৰু ফলত তেওঁলোকে বেংকে আগবঢ়োৱা সুবিধা ভালদৰে গ্রহণ কৰিব নোৱাৰে।

(৭) **সাময়িকভাৱে হোৱা মুদ্রাৰ জৰুৰী প্রয়োজনীয়তা ঃ** কৃষি খণ্ডত বিনিয়োগ কৰিবলৈ বছৰৰ এটা নির্দিষ্ট সময়ত মুদ্রাৰ চাহিদা অত্যধিক বৃদ্ধি পায়। ফলত এইটো সময়ত মুদ্রা বজাৰত সুতৰ হাৰ বৃদ্ধি পায়। সাধাৰণতে বছৰৰ অক্টোবৰ মাহৰ পৰা জুন মাহলৈ এইটো অৱস্থা পৰিলক্ষিত হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ঃ ভাৰতীয় মুদ্রা বজাৰৰ চাৰিটা আসোঁৱাহ উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

(৪) .....

২.৭ ভাৰতীয় মুদ্রা বজাৰ উন্নতকৰণৰ ব্যৱস্থাসমূহ (MEASURES TO IMPROVE THE INDIAN MONEY MARKET)

ভাৰতীয় মুদ্রা বজাৰৰ প্রদান আসোঁৱাহ হ'ল ইয়াৰ উচ্চ স্থিতিস্থাপকতা। ভাৰতীয় মুদ্রা বজাৰৰ লেনদেনসমূহ ক্রমান্বয়ে বৃদ্ধি পাই আহিছে। কিন্তু সুখময় চক্রৱর্তী কমিটীৰ পৰামর্শৱলী (মুদ্রা ব্যৱস্থাৰ কার্যাৱলীৰ ওপৰত আলোকপাত) আৰু নৰসিংহম কমিটীৰ পৰামর্শাৱলীৰ (ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ কার্যাৱলীৰ প্রতিবেদন, ১৯৯১ ৰ) ওপৰত ভিত্তি কৰি ভাৰতীয় ৰিজার্ভ বেংকে এলানি কার্যব্যৱস্থা হাতত লৈছে। তলত এইসমূহ উল্লেখ কৰা হ'ল ঃ

(১) **মুদ্রা বজাৰত নতুন আহিলাৰ প্রৱর্তন ঃ** ভাৰতীয় ৰিজার্ভ বেংকে কেইবিধমান নতুন আহিলা যেনে— বাণিজ্যিক পত্র, আমানত প্রমাণপত্র (Certificates of Deposits), 182 দিনীয়া কোষাগাৰ দেয়ক (182-day treasury), 364 দিনীয়া কোষাগাৰ দেয়ক (364 day treasury) ইত্যাদি মুদ্রা বজাৰত প্রৱর্তন কৰিছে। বাট্টা (discount) আৰু বিত্ত গৃহৰো (finance house) উন্নতি সাধন কৰিছে। এই ব্যৱস্থাসমূহে বিভিন্ন প্রকাৰৰ ঋণ লওতাসকলক তেওঁলোকৰ দৰকাৰ অনুযায়ী বিভিন্ন প্রকাৰৰ হ্রস্বম্যাদী ঋণৰ সুবিধা আগবঢ়াইছে।

(২) **সুতৰ হাৰৰ নীতি-নিয়মৰ ক্ষেত্রত শিথিলতা ঃ** বেংক, বিত্তীয় অনুষ্ঠান ইত্যাদিৰ সকলো ধৰণৰ সুতৰ হাৰৰ ক্ষেত্রত (জমাৰ ওপৰত আৰু ঋণ হিচাপে আগবঢ়োৱা মূলধনৰ সুত সাধাৰণতে ভাৰতীয় ৰিজার্ভ বেংকে নীতি-নিয়ম নির্দ্ধাৰণ কৰি দিয়ে আৰু নিয়ন্ত্রণ কৰে।

কিন্তু লাহে লাহে বেংক ঋণৰ সুতৰ হাৰ বজাৰৰ গতি প্ৰকৃতিয়ে নিয়ন্ত্ৰণ কৰিবলৈ ধৰিলে যাৰ ফলস্বৰূপে সুতৰ হাৰৰ ক্ষেত্ৰত অনিয়ন্ত্ৰিত অৱস্থা এটাৰো সৃষ্টি হ'ল।

(৩) **ষ্টাম্প শুল্ক হ্ৰাসকৰণ ঃ** ১৯৮৯ চনৰ আগষ্ট মাহত চৰকাৰে ষ্টাম্প শুল্কৰ ক্ষেত্ৰত ৰেহাই ঘোষণা কৰিছিল। কিন্তু এই ব্যৱস্থা বেছি ফলপ্ৰসু নহ'ল। ই বিল পদ্ধতি (bill system) ব্যৱহাৰ কৰাৰ বিপৰীতে নগদ ঋণ লোৱা ব্যৱস্থাটোক অনুৎসাহিত কৰিলে।

(৪) **বিশেষ খণ্ডলৈ বিত্তীয় সাহায্যৰ যোগান ঃ** বৰ্তমান অৰ্থ ব্যৱস্থাত কাৰ্যকৰী হৈ থকা দুখন বিত্তীয় সাহায্য আগবঢ়োৱা আঁচনি হ'ল ৰপ্তানী খণ্ডলৈ বিত্তৰ যোগান আঁচনি আৰু সাধাৰণ বিত্তৰ যোগান আঁচনি। এই দুখন আঁচনি ভাৰতীয় ৰিজাৰ্ভ বেংকে ঋণ ব্যৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ গ্ৰহণ কৰে। কিন্তু যদি মুদ্ৰাৰ যোগান অত্যাধিক বাঢ়ি যায় আৰু অৰ্থব্যৱস্থাৰ যদি কোনো উন্নয়ন নহয় তেতিয়াহ'লে ই অৰ্থব্যৱস্থাৰ বাবে বেছি ক্ষতিকাৰকহে হৈ পৰিব।

(৫) **ৰেপোৰ প্ৰয়োগ ঃ** এই ব্যৱস্থাটো বাণিজ্যিক বেংকসমূহে ঋণপত্ৰসমূহ বিক্ৰী কৰি নাইবা ক্ৰয় কৰি হ্ৰস্বকালৰ মুদ্ৰাৰ লেনদেন সম্পন্ন কৰিবলৈ প্ৰয়োগ কৰে। ৰেপো হ'ল ভাৰতীয় ৰিজাৰ্ভ বেংক আৰু বাণিজ্যিক বেংকসমূহৰ মাজত হোৱা একধৰণৰ চুক্তি যাৰ দ্বাৰা ঋণপত্ৰসমূহ আগতে নিৰ্দ্ধাৰণ কৰা দৰত আৰু তাৰিখত পুনৰ ক্ৰয় কৰা হয়।

(৬) **মুদ্ৰা বজাৰৰ উমৈহতীয়া নিধিৰ প্ৰচলন (Introducing Money Market Mutual Funds) ঃ** মুদ্ৰা বজাৰৰ উমৈহতীয়া নিধিৰ আৰম্ভণি ১৯৯১ চনৰ এপ্ৰিল মাহত কৰা হয়। এই নিধিৰ সহায়ত ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহ কৰি বিনিয়োগ কৰা হয়। ইয়াৰ ফলত বিভিন্ন বিনিয়োগকাৰীসকলৰ বাবে হ্ৰস্বকালৰ মূলধন গঠন হয়।

(৭) **ভাৰতত বাট্টা আৰু বিত্ত গৃহৰ গঠন ঃ** ভাৰতবৰ্ষত বাট্টা আৰু বিত্ত গৃহ (DFHI) গঠন কৰাৰ ফলত ই বেংকসমূহৰ উদ্বৃত্ত পুঁজি আৰু ঘাটিৰ মাজত সমতা স্থাপন কৰিছে। DFHIএ বিভিন্ন বেংক আৰু বিত্তীয় অনুষ্ঠানসমূহৰ মাজত পুঁজি ঋণদানৰ ক্ষেত্ৰত বা ঋণ গ্ৰহণ কৰাৰ ক্ষেত্ৰত সহায় কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ ভাৰতীয় মুদ্ৰা বজাৰ উন্নয়নৰ অৰ্থে গ্ৰহণ কৰিবলগীয়া পাঁচটা ব্যৱস্থা উল্লেখ কৰক।

(১) .....

(২) .....

(৩) .....

(৪) .....

(৫) .....

২.৮ বিল বজাৰ (BILL MARKET)

এখন বিল হ'ল ধাৰ লওতা বা ঋণ লওতাজনে ঋণদাতাজনক ঋণ পৰিশোধ কৰিবলৈ দিয়া প্ৰতিশ্ৰুতি। এই প্ৰতিশ্ৰুতি পত্ৰখন যিজনে কিনে তেওঁৰ বেংকটোত এইখন জমা থ'ব লাগিব আৰু বেংকটোৱে এইখন গ্ৰহণ কৰিব লাগিব। আনহাতে বেংকৰ ঋণ পৰিশোধ কৰিবলগা তাৰিখটো ইয়াত আগতে স্থিৰ কৰা থাকে। এই বিলসমূহ তিনি প্ৰকাৰৰ— (১) প্ৰতিশ্ৰুতি প্ৰত্ৰ (Promissory notes), (২) বিনিময় পত্ৰ (Bills of exchange), (৩) কোষাগাৰ দেয়ক (Treasury bills)। বিল বজাৰখন হ'ল হ্ৰস্বকালীন বিলৰ বজাৰ য'ত ব্যক্তি, কোম্পানী আদিৰ প্ৰয়োজন হোৱা হ্ৰস্বকালীন বিত্তৰ লেনদেন কৰা হয়। বাণিজ্যিক বেংকসমূহে ভাৰতীয় ৰিজাৰ্ভ বেংকত এই বিলসমূহ পুনৰ বাট্টাৰ দ্বাৰা (by rediscounting) নাইবা এই বিলসমূহ জমা থৈ বেংকৰ আৰ্থিক অৱস্থা টনকিয়াল কৰিবলৈ ব্যৱহাৰ কৰে। ভাৰতীয় ৰিজাৰ্ভ বেংকে বিল বজাৰৰ উন্নয়ণৰ বাবে বহুতো ব্যৱস্থা গ্ৰহণ কৰি আহিছে। বৰ্তমান সময়ত, বাণিজ্যিক বেংক আৰু ৰাজহুৱা খণ্ডৰ বেংকসমূহে ভাৰতীয় ৰিজাৰ্ভ বেংকক বিনিময় পত্ৰ (Bill of exchange) পুনৰ বাট্টাৰ বাবে দিব পাৰে।



২.৯ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- মুদ্রা বজাৰ হ'ল হ্ৰস্বকালীন পুঁজিৰ বজাৰ।
- মুদ্রা বজাৰত এবছৰলৈ মুদ্রাৰ নিকট বিকল্প হিচাপে ঋণ আগবঢ়োৱা হয়।
- আহুত কিস্তি বজাৰত অংশগ্ৰহণকাৰী উদ্যোগসমূহক প্ৰত্যেকবাৰ লেনদেনত ন্যূনতম ২০ কোটি পৰিমাণৰ টকা লেনদেন কৰিবলৈ অনুমতি প্ৰদান কৰা হয়।
- আমানতৰ প্ৰমাণপত্ৰৰ পূৰ্ণতা প্ৰাপ্তিৰ সময় ১৫ দিনতকৈ কম আৰু এবছৰতকৈ বেছি হোৱা উচিত নহয়।
- সুখময় চক্ৰৱৰ্তী কমিটী আৰু নৰসিংহম কমিটীৰ পৰামৰ্শাৱলীৰ ওপৰত ভিত্তি কৰি ভাৰতীয় ৰিজাৰ্ভ বেংকে ভাৰতীয় মুদ্রা বজাৰ সংশোধন কৰিবলৈ এলানি কাৰ্যব্যৱস্থা হাতত লৈছে।
- নিৰাপত্তা, তাৰল্যতা (liquidity) আৰু লাভ প্ৰদান কৰিবলৈ MMMF সমূহ প্ৰতিষ্ঠা কৰা হৈছিল। ই বৃহৎ সংখ্যক সঞ্চয়কাৰীৰৰ পৰা ক্ষুদ্ৰ সঞ্চয় সংগ্ৰহ কৰে আৰু এই সঞ্চয়খিনি মূলধন বজাৰত বিনিয়োগ কৰে।
- গিল্ট এড্‌জ (চৰকাৰী) প্ৰতিভুতিসমূহৰ অত্যধিক চাহিদা আছে কাৰণ ইয়াক শুদ্ধ চাহিদা আৰু সময় তাৰল্যতা (Time Liquidity) অৱস্থা বজাই ৰাখিবলৈ বাণিজ্যিক বেংকসমূহে

বিচাৰে। এই প্ৰতিভুতিসমূহ ক্ৰয় আৰু বিক্ৰয় কৰি বাণিজ্যিক বেংকসমূহে নিজৰ স্থান সুস্থিৰ কৰি ৰাখে।

- ৰেপো লেনদেনৰ সময়ত, পূৰ্বনিৰ্দ্ধাৰিত দৰত আৰু তাৰিখত পুনৰ বিক্ৰৰ বাবে ঋণপত্ৰ ক্ৰয় কৰিছিল।



২.১০ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deep and Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

৪) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.



২.১১ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) ভাৰতীয় মুদ্রা বজাৰৰ দুটা অসংগঠিত খণ্ড হ'ল ঃ

(১) থলুৱা বেংকাৰসকল

(২) মহাজনসকল

২ নং প্ৰশ্নৰ উত্তৰঃ (ক) তিনি প্ৰকাৰৰ চৰকাৰী প্ৰতিভুতি হ'ল ঃ

(১) দিনাংক ঋণপত্ৰ

(২) শূন্য কুপনচুক্তি

(৩) আংশিকভাৱে পৰিশোধ্য সম্ভাৰ

৩ নং প্ৰশ্নৰ উত্তৰঃ (ক) চাৰি প্ৰকাৰৰ কোষাগাৰ দেয়কসমূহ হ'ল ঃ

(১) ১৪ দিনত পূৰ্ণ প্ৰাপ্ত হোৱা ১৪ দিনীয়া কোষাগাৰ দেয়ক।

(২) ৯১ দিনত পূৰ্ণ প্ৰাপ্ত হোৱা ৯১ দিনীয়া কোষাগাৰ দেয়ক।

(৩) ১৮২ দিনত পূৰ্ণ প্ৰাপ্ত হোৱা ১৮২ দিনীয়া কোষাগাৰ দেয়ক।

(৪) ৩৬৪ দিনত পূর্ণ প্রাপ্ত হোৱা ৩৬৪ দিনীয়া কোষাগাৰ দেয়ক।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) ভাৰতীয় মুদ্রা বজাৰৰ চাৰিটা আসোঁৱাহ হ'ল ঃ

(১) সহযোগিতাৰ অভাব

(২) সুতৰ হাৰৰ মাজত সামঞ্জস্যতাৰ অভাব

(৩) অসংগঠিত মুদ্রা বজাৰৰ অৱস্থিতি

(৪) বেংকৰ পর্যাপ্ত সুবিধাৰ অভাব

৫ নং প্রশ্নৰ উত্তৰঃ (ক) ভাৰতীয় মুদ্রা বজাৰ উন্নতকৰণৰ পাঁচটা ব্যৱস্থা হ'ল ঃ

(১) মুদ্রা বজাৰত নতুন আহিলাৰ প্রয়োগ

(২) সুতৰ হাৰৰ নীতিনিয়মৰ ক্ষেত্রত শিথিলতা

(৩) ষ্টাম্প শুল্ক ৰেহাই

(৪) বিশেষ খণ্ডলৈ বিত্তৰ যোগান

(৫) ৰেপোৰ প্রয়োগ



২.১২ আৰ্হি প্রশ্ন (MODEL QUESTIONS)

প্রশ্ন ১ঃ মুদ্রা বজাৰ বুলিলে আপুনি কি বুজে? মুদ্রা বজাৰ গঠন কৰা উপাদানসমূহ কি কি?

প্রশ্ন ২ঃ মুদ্রা বজাৰৰ বিভিন্ন আহিলাসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ ভাৰতীয় মুদ্রা বজাৰৰ আসোঁৱাহসমূহ আলোচনা কৰক।

প্রশ্ন ৪ঃ ভাৰতীয় মুদ্রা বজাৰ উন্নতকৰণৰ বাবে গ্রহণ কৰিবলগীয়া বিভিন্ন ব্যৱস্থাসমূহ কি কি?

প্রশ্ন ৫ঃ চমু টোকা লিখক ঃ

(ক) চৰকাৰী ঋণপত্র

(খ) বিল পুনৰ বাট্টাকৰণ

(গ) মুদ্রা বজাৰৰ উমৈহতীয়া পুঁজি

(ঘ) কোষাগাৰ দেয়ক

(ঙ) আমানতৰ প্রমাণপত্র

(চ) বাণিজ্যিক পত্র

(ছ) গিল্ট এড্জ (চৰকাৰী) প্রতিভুতি

(জ) বিল বজাৰ।

*** ***** ***